তীব্র প্রতিবাদৰ সন্মুখীন হব লগা হ'ল। পিছদিনাই কে'ই বাৱাটৰ পৰা আমষ্টাৰ্ডামলৈ গুচি গ'ল। ভিন্‌চেণ্ট তথাপি ক্ষান্ত নহল। তেওঁৰ ধাৰণা যিহেতু কে'ক তেওঁ প্ৰাণভৰি ভাল পায় -এই কথা কে'ক বুজাব পাৰিলে কে'ইও ভিন্‌চেণ্টক ভাল নোপোৱাৰ কোনো কাৰণ থাকিব নোৱাৰে। কেইদিনমান পিছতে ভিন্‌চেণ্টে কে'ক লগ ধৰিবলৈ আমষ্টাৰ্ডামৰ মহাদেৱেকৰ ঘৰ পালে। ভিন্‌চেণ্টক দেখি স্ত্রীকাৰ অতি ক্ষুব্ধ হৈ পৰিল। দুয়োজনৰ মাজত কিছু সময় ভয়ানক ভাৱে কথাৰ কটাকটি চলিল। ভিন্‌চেণ্টে হাতখন ওভটাই সন্মুখৰ জ্বলন্ত মমৰ শিখা এটাৰ ওপৰত ৰাখি মহাদেৱেকক অনুৰোধ কৰিলে—যাতে যিমান সময় তেওঁ তেনেদৰে হাতখন বহ্নি শিখাৰ ওপৰত ৰাখিব পাৰে অন্ততঃ সেইখিনি সময়ৰ বাবে কে'ৰ লগত আলোচনাৰ অনুমতি তেওঁক দিয়া হয়। লগে লগে গোটেই ঘৰটোত পোৰা মঙহৰ তীব্র গোন্ধ বিয়পি পৰিল। পোৰা ঠাই ডোখৰৰ পৰা মঙহৰ টুকুৰা মেজৰ ওপৰত জহি জহি পৰিবলৈ ধৰিলে। ভিন্‌চেণ্টৰ এনে আচৰণত স্ত্রীকাৰে উত্তেজিত ভাৱে চিঞৰি শিখাটো নিৰ্বাপিত কৰি দিলে। আৰ্ত্ত কণ্ঠে চিঞৰি ভিন্‌চেণ্টক তিৰস্কাৰ কৰিবলৈ ধৰিলে। গভীৰ শোকে ভিন্‌চেণ্টৰ কণ্ঠ ৰোধ কৰিলে। হৃদয়ৰ আবেগ ভৰা এই ক্ৰন্দনক ৰোধ কৰিবলৈ তেওঁ পোৰা হাতখনেৰে মুখখন ঢাকি ধৰি আমষ্টাৰ্ডামৰ পথত খোজ ললে। লগে লগে কে'ৰ আশাও ভিন্‌চেণ্টে চিৰদিনৰ বাবে ত্যাগ কৰিলে।

পেৰিছ আছিল যেনেদৰে ইউৰোপৰ শিল্প-সংস্কৃতিৰ বিকাশ কেন্দ্ৰ, হেগ্ আছিল গোটেই হলেণ্ডৰ শিল্প-সংস্কৃতিৰ কেন্দ্ৰস্থল। হেগত থকা কালছোৱাত ভিন্‌চেণ্টৰ সুখ-দুখৰ ভাগ লবলৈ অহা তিৰোতা গৰাকীৰ নাম আছিল খ্ৰীষ্টিন। খ্ৰীষ্টিন আছিল এজনী ধুবুনী। তাই কামৰ অভাৱত ধনৰ বাবে প্ৰায়ে আলিৰ দাঁতিত থিয় হ'বলগীয়া হৈছিল। ভিন্‌চেণ্টে প্ৰথম লগ পোৱাত সগৰ্ভা খ্ৰীষ্টিন আছিল পাঁচোটা পিতৃ-পৰিচয় হীন সন্তানৰ মাতৃ। আনুষ্ঠানিক ভাৱে বিবাহ পাশত আবদ্ধ নহলেও ভিন্‌চেণ্টে এই তিৰোতা গৰাকীৰ লগত এবছৰৰো অধিক কাল স্বামী আৰু স্ত্ৰীৰ দৰে একেলগে অতিবাহিত কৰিছিল। উচ্ছৃংলা বা কে'ৰ দৰে খ্ৰীষ্টিন ধুনীয়া নাছিল। ক'লা ক'লা দাগ আৰু ব্ৰনেৰে পৰিপূৰ্ণ মুখমণ্ডলেৰে তাই আছিল বিগত যৌৱনা এগৰাকী কুশ্ৰী নাৰী। বয়সত তাই আছিল ভিন্‌চেণ্টতকৈ পাঁচ বছৰে ডাঙৰ। এনে এগৰাকী নাৰীৰ লগত জীৱন যাপন কৰা বাবে ভিন্‌চেণ্টে নিজ পৰিয়াল আৰু বন্ধুবৰ্গৰ পৰা নিষ্ঠুৰ ব্যৱহাৰ সহ্য কৰিবলগীয়া হৈছিল। তথাপি ভিন্‌চেণ্টৰ দৃষ্টিত খ্ৰীষ্টিন আছিল মহিয়সী নাৰী। খ্ৰীষ্টিনেই আছিল প্ৰথম নাৰী যিয়ে ভিন্‌চেণ্টক অন্তৰ উজাৰি সকলো দিবলৈ কাৰ্পণ্য কৰা নাছিল। খ্ৰীষ্টিনৰ সঙ্গসুখে ভিন্‌চেণ্টৰ শিল্প সৃষ্টিৰ জড়তা যেন বহুখিনি আঁতৰ কৰি পেলাইছিল। ভিন্‌চেণ্টৰ কঠোৰ অনুশাসনৰ মাজত থাকি খ্ৰীষ্টিনে বহু পৰিমাণে শিষ্ট হবলৈ শিকিছিল। তথাপি জঘন্য জীৱন যাপনেৰে পাৰ কৰি অহা সুদীৰ্ঘ চৈধ্যটা বছৰৰ তুলনাত ভিন্‌চেণ্টৰ সংস্পৰ্শৰ

এটা বছৰ আছিল খ্ৰীষ্টিনৰ বাবে অতি নগণ্য। সেয়ে এদিন ভিন্‌চেণ্টৰ সকলো অনুৰোধ উপেক্ষা কৰি তাই পুনৰ ঘূৰি গৈছিল সেই অতীত জীৱনলৈ। সময়ত ভিন্‌চেণ্টৰ দৃষ্টিৰ পৰা হেগ্ আঁতৰি যোৱাৰ লগে লগে চিৰজীৱনৰ বাবে খ্ৰীষ্টিনো হেৰাই গৈছিল।

ইয়াৰ পিছত ভিন্‌চেণ্টে নিউনেন আৰু তাৰ পিছত পেৰিছত কিছুকাল কটাই অৱশেষত আৰ্লচলৈ আহে। আৰ্লচলৈ অহাৰ আগতে ভিন্‌চেণ্টে ভায়েক থিয়োৰ লগত বহুদিন পেৰিছত আছিল। এদিন থিয়োৰ অজ্ঞাতে তেওঁ পেৰিছ ত্যাগ কৰি আৰ্লচ পালেহি। আৰ্লচত ভিন্‌চেণ্টে তেওঁৰ শিল্পী জীৱনৰ প্ৰখ্যাত বন্ধু পলগগাঁৰ লগত হালধীয়া ৰঙৰ ঘৰ এটিত বাস কৰিছিল। আৰ্লচৰ গ্ৰীষ্মকাল যেন এক প্ৰচণ্ড অভিশাপ। সূৰ্যৰ প্ৰচণ্ড ৰশ্মিয়ে আৰ্লচবাসীৰ মগজুত কৰে তীব্ৰ প্ৰতিক্ৰিয়া, যাৰ ফলত মানুহ হয় উন্মাদ প্ৰায়। এই তীব্ৰ সূৰ্যালোকত ভিন্‌চেণ্টে নগ্নমূৰে বহি পথাৰত ছবিৰ পিচত ছবি আঁকি যায়। একোলৈকে তেওঁৰ ভ্ৰূক্ষেপ নাই। দিনৰ অশেষ পৰিশ্ৰম তথা ক্লান্তিৰ পিছত যেতিয়া ঘৰ আহি পায় আৰম্ভ হয় পলগগাঁৰ লগত তীব্ৰ কোলাহল। আৰ্লচবাসীৰ মনত ভিন্‌চেণ্ট আছিল এনেহুৱা অকৰ্মা লোক। চিত্ৰ কি বস্তু তেওঁলোকে নুবুজিছিল। সেয়ে ভিন্‌চেণ্ট বহুতো কদৰ্থণাৰ সন্মুখীন হ'ব লগা হৈছিল। সকলোৰে ঠাট্টা উপহাসে ভিন্‌চেণ্টক অতিষ্ঠ কৰি তোলে।

ইয়াৰ পিছত ভিন্‌চেণ্টৰ জীৱনলৈ আহে আৰু এজনী ছোৱালী। তাইৰ নাম আছিল ৰাঁছেল। ৰাঁছেল ভিন্‌চেণ্টৰ মৰমৰ সেই পাবচৰাই বোলা ছোৱালীজনী—, অতি কম বয়সীয়া। সেই ছোৱালীজনী আছিল হোটেলখনৰ আটাইবোৰ ছোৱালীৰ ভিতৰত ভিন্‌চেণ্টৰ অতি প্ৰিয়। মৰমতে তাই ভিন্‌চেণ্টৰ এখন কাণ প্ৰায়ে খুজিছিল উমলিবলৈ। সঁচাকৈয়ে এদিন পলগগাঁৰ লগত হোৱা প্ৰচণ্ড কন্দলৰ অন্তত কাণখন কাটি কেইখন মান কাগজেৰে টোপোলা বান্ধি ৰাঁছেলৰ হাতত তুলি দিছিল। তাই সঁচাকৈয়ে নিজৰ হাতত কাণখন দেখি বিকট চিঞৰ এটা মাৰি মাটিত চলি পৰিল। কোনোমতে ভিন্‌চেণ্ট আহি তেওঁৰ সেই হালধীয়া ঘৰটো পালেহি। চহৰৰ মানুহবোৰে ভিন্‌চেণ্টক মূৰ্চ্ছিত অৱস্থাত পাই কৰ্তৃপক্ষক গটাই দিলে। জ্ঞান ঘূৰি অহাৰ পিছত ভিন্‌চেণ্টে দেখে যে তেওঁ হস্পিতেলত। কাষত বহি আছে অতি মৰমৰ ভায়েক থিয়ো। হস্পিতেলৰ প্ৰধান কৰ্মকৰ্তা ডাঃ ৰে'ৰ লগত আলোচনা কৰি থিয়োই ককায়েকক 'চেণ্টপল ডি মোঁজলৰ'ৰ উন্মাদালয়ত থোৱাৰ সিদ্ধান্ত লয়। ডাঃ ৰে'ই উন্মাদালয়ৰ কৰ্তা ডাঃ পেৰণৰ লগত যোগাযোগ কৰি এদিন ভিন্‌চেণ্টৰ লগত ৰেলত উঠি ট্ৰাচ্‌কান্ অভিমুখে ৰাওনা হ'ল। ট্ৰাচ্‌কানৰ পৰা চেণ্ট মেৰি। চেণ্ট মেৰিত ডাঃ পেৰণে সাগ্ৰহে ভিন্‌চেণ্ট আৰু ডাঃ ৰে'ক আদৰি নিলে। ডাঃ ৰে'ই ডাঃ পেৰণক ভিন্‌চেণ্টৰ সমস্ত ভাৰ গটাই ঘৰ অভিমুখে ৰাওনা হ'ল। ডাঃ পেৰনে ভিন্‌চেণ্টক ভিতৰলৈ যাবলৈ বাট এৰি দিলে। ভিন্‌চেণ্ট সোমাই যোৱাৰ লগে লগে উন্মাদালয়ৰ দ্বাৰ বন্ধ হৈ গ'ল।


আর্লচত থকা অৱস্থাতেই ভিন্চেন্টে লগ পাইছিল মাৰ্গটিক। এই গৰাকী ৰমণীয়ে বহুদিনৰ পৰাই ভিন্চেন্টৰ মৰম বিচাৰি তেওঁক অনুসৰণ কৰি ফুৰিছিল। এই মাৰ্গটেই "একমাত্ৰ নাৰী, যি এই বিশ্বত ভিন্চেন্টৰ ওচৰত সমৰ্পন কৰিছিল সৰ্বস্ব; প্ৰেম, আত্মা, দেহ, একমাত্ৰ ৰমণী—যি ভিন্চেন্টৰ হকে প্ৰাণ আহুতি দিছিল।"

"চেন্ট-মেৰি"ৰ উন্মাদালয়ত সুস্থ হৈ ভিন্চেন্ট, ডঃ পেৰণৰ অনুমতিক্ৰমে আৰ্ভাচলৈ আহে। ইয়াতেই জীৱনৰ আশা আকাঙ্ক্ষা, মায়া মোহ, সমস্ত বাদ দি চিত্ৰ আঁকিবলৈ গৈ এদিন পথাৰতে বিভলভাৰৰ দ্বাৰা নিজকে গুলিয়াই আত্মহত্যা কৰে। এইদৰেই এই মহান শিল্পী গৰাকীৰ জীৱনৰ পৰিসমাপ্তি ঘটে।

বিভিন্ন সময়ত, বিভন্ন ঠাইত লগ পোৱা এই ৰমণী কেইগৰাকী ভিন্চেন্টৰ জীৱনলৈ আনি দিছিল পৰিবৰ্তন। ইয়াৰ বাবে তেওঁ জীৱনৰ শেষ কালছোৱাত চিত্ৰাঙ্কনৰ মাজেৰে নিজক প্ৰতিষ্ঠিত কৰিছিল। এজন প্ৰকৃত নিপীড়িত মানুহৰ শিল্পী হিচাপে।

---

"প্ৰবন্ধটো যুগুত কৰোঁতে 'Lust for life' অৰ প্ৰণীতা দেবী অনুদিত "জীৱনৰ লালসা" গ্ৰন্থখনিৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰা হৈছে।"



# দুটি গীত

শ্ৰীধীৰেনজিৎ কলিতা।
প্ৰাক্ বিশ্ববিদ্যালয়, ২য় বাৰ্ষিক।

(১)

তুমিতো নেজানা মোৰ হিয়াৰ
গোপন বেদনা।
তুমিতো নুবুজা মোৰ মনৰ
কিমান কামনা॥
ফাগুন আহিছিল মোক
নতুন ৰঙে ৰঙাবলে'।
আৰু আহিছিল বনবিহংগী
নতুন গান শুনাবলে'।
তেতিয়া যে মই সপোন দেখিছিলোঁ
লৈ তোমাৰ ভাবনা॥
আকাশত জোনায়ে মিচিকি হাঁহিলে
সেই হাঁহি মোৰ চোৰা নহ'ল।
ৰাতিৰ শেৱালি পুৱাতে সৰিলে
সেই শেৱালি মোৰ চোৰা ন'হল।
তেতিয়া যে সপোন দেখাৰ মাজত পালোঁ
মাথো তোমাৰ ছলনা॥

(২)

মনৰে ময়ূৰী উৰিছে,
পখিলা নচাদি নাচিছে।
কোন সেয়া গাভৰুৰে আক
বিহু বিহু লাগিছে যে গাত॥
দেহত সিহঁতৰ যৌৱন নামিছে,
মনত সিহঁতৰ কামনা জাগিছে।
ঢোলৰ চেৱে চেৱে নাচৰ তালে তালে
সেয়া যেন মাতিছে কাক।
বিহু বিহু লাগিছে যে গাত॥
মিঠা মিঠা খোজেৰে
জোনাক জোনাক হাঁহিৰে,
বহাগীক আদৰিলে।
ঢোলৰ মাতত আজি
পেপাৰ সুৰত আজি
বহিছে যে ৰঙৰে ঐ হাট।
বিহু বিহু লাগিছে গাত।

**প্ৰবন্ধ**

# ৰাষ্ট্ৰৰ আদৰ্শবাদ— ইয়াৰ উৎপত্তি

মঃ মজিবৰ ৰহমান।

ৰাষ্ট্ৰৰ আদৰ্শবাদী তত্ত্বটো বৰ্তমান যুগত বিভিন্ন নামেৰে জনাজাত যেনে, দাৰ্শনিক, চৰমবাদী, ভাৱবাদী আৰু ৰহস্যবাদী তত্ত্ব। এই তত্ত্ব সমূহে ৰাষ্ট্ৰ আৰু সমাজৰ একোটা আদৰ্শ চিত্ৰ দাঙি ধৰিছে। অৱশ্যে ইয়াৰ বাস্তৱ সত্তাটো বুজাত একেবাৰে অসম্ভৱ নহলেও কিছু অসুবিধাজনক। কিয়নো ইয়াৰ উদ্ভাৱক সকলে ৰাষ্ট্ৰক এনে এটা পৰ্য্যায়ৰ বৰ্ণনাত দাঙি ধৰিছে যেন ৰাষ্ট্ৰ এটা ঐশ্বৰিক ৰাগহে। মানুহৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশৰ বাবে ৰাষ্ট্ৰ এটা অপৰিহাৰ্য নীতিগত অনুষ্ঠান। প্ৰত্যেক মানুহৰে কিছুমান নীতিগত লক্ষ্য থাকে আৰু ৰাষ্ট্ৰই সেইবোৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰে। সেই কাৰণে পৰা ৰাষ্ট্ৰ জনসাধাৰণৰ বাবে, জনসাধাৰণ ৰাষ্ট্ৰৰ বাবে নহয়। ৰাষ্ট্ৰৰ উন্নতিয়েই জনসাধাৰণৰ উন্নতি। ৰাষ্ট্ৰ মানৱ বিকাশৰ পৰম মিত্ৰ।

ৰাষ্ট্ৰৰ আদৰ্শবাদী তত্ত্বৰ উৎপত্তি বহুদিনীয়া পুৰণি। প্ৰাচীন গ্ৰীক দাৰ্শনিক পণ্ডিত চক্ৰেটিছ, প্লেটো আৰু এৰিষ্টটলৰ লিখনি সমূহৰ পৰাই ইয়াৰ সূত্ৰপাত হোৱা বুলি কব পাৰি। এৰিষ্টটলে ৰাষ্ট্ৰক এটা প্ৰাকৃতিক আৰু আৱশ্যকীয় অনুষ্ঠান বুলি উল্লেখ কৰিছে। তেওঁ বিশ্বাস কৰিছিল যে সকলোবোৰ ভাল কাম প্ৰকৃতিৰ দ্বাৰাই সম্পাদন কৰা হয়। ৰাষ্ট্ৰই জনসাধাৰণৰ মংগলৰ বাবে কিছুমান ভাল কাম কৰে। সেইবাবে ই প্ৰকৃতিৰ সৃষ্টি। আনহাতে মানৱ জীৱনৰ প্ৰয়োজনীয় সকলো অভাৱ ৰাষ্ট্ৰৰ দ্বাৰা পূৰণ কৰা হয় বাবে ই আৱশ্যকীয় ৰাজনৈতিক অনুষ্ঠান।

অৱশ্যে বৰ্তমানৰ আদৰ্শবাদী চিন্তাধাৰাৰ আৰম্ভ জাৰ্মানীৰ পৰাই হয়। সুদীৰ্ঘ বহু বছৰ ধৰি জাৰ্মানী আছিল ভাৱবাদী চিন্তাধাৰাৰ কেন্দ্ৰ স্থল। জাৰ্মানীৰ বিখ্যাত চাৰিজন দাৰ্শনিক মনীষীয়ে এই বিষয়ত উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। কাণ্ট, ফিচ্‌টে ( Fichte ), চেলিং আৰু হেগেল জাৰ্মানীৰ এই চাৰিজন দৰ্শনৰ অধ্যাপকে এই ক্ষেত্ৰত তেওঁলোকৰ অমৰ লিখনি সমূহেৰে কাল

জন্ম কৰিছে। সময়ত এওঁলোকৰ চিন্তা প্ৰবাহ সমূহ সুদূৰ ফ্ৰান্স, ইটালি, ইংলেণ্ড আৰু আমেৰিকা আদি দেশলৈ বিস্তাৰিত হয়। কিন্তু জাৰ্মান দাৰ্শনিক সকলৰ মাজতেই তেওঁলোকৰ মতৰ পাৰ্থক্য আছে। অৱশ্যে জাৰ্মানীৰ এই দাৰ্শনিক সকলে তেওঁলোকৰ আদৰ্শবাদী ভাৱধাৰাৰ তথ্য সমূহ ৰুছোঁৰ পৰা সংগ্ৰহ কৰিছিল। সেইদৰে দাৰ্শনিক হেগেলেও তেওঁৰ সাধাৰণ সংকল্পৰ ধাৰণা ৰুছোঁৰ পৰা আহৰণ কৰিছিল। সেয়া নহলেও আদৰ্শবাদী ভাৱধাৰাৰ উৎপত্তি যে প্লেটো আৰু এৰিষ্টটলৰ দৰ্শনৰ পৰা হৈছিল, সেই বিষয়ে সকলোৱে একমত। প্ৰখ্যাত দাৰ্শনিক এৰিষ্টটলে মানুহক সামাজিক প্ৰাণী বুলি উল্লেখ কৰিছে। তেওঁৰ মতে একমাত্ৰ সমাজেহে ব্যক্তিৰ অস্তিত্ব আৰু গুৰুত্ব আনি দিব পাৰে। সমাজে মানুহৰ পূৰ্ণাংগ আৰু স্বাধীন ব্যক্তিত্ব বিকাশৰ প্ৰয়োজনীয় পৰিবেশ সৃষ্টি কৰিব পাৰে। ইয়ে মানুহৰ প্ৰয়োজনীয় সকলো অভাৱ পূৰণ কৰাই এক সুখী আৰু পবিত্ৰ জীৱন যাপনত সহায় কৰে। সেয়ে মানুহৰ জীৱনৰ নিৰাপত্তাৰ বাবে ৰাষ্ট্ৰৰ সৃষ্টি হোৱা বুলি এৰিষ্টটলে মত দৰ্শাইছে।

প্লেটোৱে তেওঁৰ "গণৰাজ্য" নামৰ গ্ৰন্থত মানুহৰ জীৱনত ৰাষ্ট্ৰৰ ভূমিকা সম্পৰ্কীয় কথাত অধিক গুৰুত্ব দিছিল। ৰাষ্ট্ৰই মানুহৰ আত্মবিকাশত সকলো সুবিধা দিব পাৰে। আদৰ্শবাদী সকলে এইদৰেই ৰাষ্ট্ৰৰ ভূমিকাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি আহিছে আৰু পিছলৈ তেওঁলোকে ৰাষ্ট্ৰক সৰ্বশক্তিমান, অব্যৰ্থ, সৰ্বজ্ঞ, চৰম আৰু এনেকি ন্যায় আৰু নৈতিকতাৰ অভিভাৱক বুলি সকলো গুণেৰে বিভূষিত কৰিছে। হেগেলে ৰাষ্ট্ৰক "সততা বা নৈতিকতাৰ আত্মা বুলি" কৈছে। ই মানুহৰ আত্মবিকাশ, সদিচ্ছা, আত্মবোধ আৰু জ্ঞানৰ পৰিপূৰ্ণতা অনাত সহায় কৰে। সেয়ে ৰাষ্ট্ৰ ভাল বা বেয়া হব পাৰে কিন্তু মানি চলিব লাগে। কিয়নো ৰাষ্ট্ৰ স্বয়ং ঈশ্বৰৰ সৃষ্টি। ৰাষ্ট্ৰৰ নিৰ্দেশ স্বয়ং ঈশ্বৰৰ নিৰ্দেশ বাবে ৰাষ্ট্ৰৰ নিৰ্দেশক আইন মানি চলিব লাগে। ঐশ্বৰিক ভাৱনাৰ ফলত ৰাষ্ট্ৰৰ উৎপত্তি হয়। এই ঐশ্বৰিক সংকল্পৰ বাবেই বিশ্ব ব্ৰহ্মাণ্ডৰ গঠন আৰু স্বৰূপ সদায় বৰ্তমান। সেয়ে ৰাষ্ট্ৰৰ অধীনত থাকিয়েই মানুহে নিজৰ নৈতিক চৰিত্ৰৰ উৎকৰ্ষ সাধন কৰিব পাৰে। জনসাধাৰণৰ সকলো ধৰণৰ সংকল্পৰ প্ৰতিনিধিত্ব কৰা ৰাষ্ট্ৰ হ'ল এটা সাধাৰণ সংকল্প। ৰাষ্ট্ৰক মানি চলা সময়ত মানুহ সম্পূৰ্ণ স্বাধীন। সেয়ে ৰাষ্ট্ৰৰ সৈতে বিৰোধ হব পৰা কোনো ধৰণৰ প্ৰাকৃতিক অধিকাৰ মানুহৰ থাকিব নোৱাৰে। ৰাষ্ট্ৰৰ কৰ্তৃপক্ষৰ কোনো বাধা থাকিব নোৱাৰে।

ৰাষ্ট্ৰ সকলো নৈতিকতাৰ অভিভাৱক, সংগঠিত কোনো নৈতিক জগতৰ উপাদান মাত্ৰ নহয়। ৰাষ্ট্ৰই মানুহৰ সামাজিক ঐক্য প্ৰতিষ্ঠা কৰে। ৰাষ্ট্ৰই ইয়াৰ চৰম বাহ্যিক শক্তি প্ৰয়োগ কৰি ইয়াৰ সকলো সদস্যক নিয়ন্ত্ৰণ কৰে। মানুহৰ সুখ-স্বাচ্ছন্দ্য, নৈতিক উৎকৰ্ষ সাধনত ৰাষ্ট্ৰই শক্তি প্ৰয়োগ কৰি ইয়াৰ বাধা সমূহ আঁতৰ কৰিব পাৰে।

ৰাষ্ট্ৰৰ মংগলকামী সকলো উদ্দেশ্যকে মানুহে মানি চলিব লাগে। আদৰ্শবাদী সকলৰ মতে

ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা বা নিৰাপত্তাৰ বাবে ৰাষ্ট্ৰৰ বেদীত মানুহে জীৱন আহুতি দিব পাৰে। স্বতন্ত্ৰতাৰ ক্ষেত্ৰত আদৰ্শবাদী সকলৰ ধাৰণা ইতিবাচক। সৌন্দৰ্য যেনেকৈ অকল কুৎসিত বিহীনতাই নহয় তাৰ লগত কিছু গুণৰো প্ৰয়োজন, তেনেকৈ স্বতন্ত্ৰতাও অবাধ নহয়, মানুহে সীমিতভাৱে পোৱা কিছুমান সা-সুবিধাহে। ই কেৱল মানুহক সমাজৰ মংগল-উদ্দেশী কৰা কামৰ বাবে দিয়া কিছুমান অধিকাৰহে।

জনসাধাৰণৰ ইচ্ছাই হ'ল ৰাষ্ট্ৰৰ মূল ভেঁটি। কোনো শক্তি বা বলৰ দ্বাৰা ৰাষ্ট্ৰৰ ভেঁটি নিৰ্ণয় কৰা নহয়। অৱশ্যে ৰাষ্ট্ৰত সামৰিক বা পুলিচ শক্তিৰ আৱশ্যক আছে যদিও এই শক্তি বৰ তাৎপৰ্যপূৰ্ণ নহয়। প্ৰকৃত শক্তি হ'ল জনসাধাৰণৰ সংকল্পহে। এই সকলো সংকল্পক নিয়ন্ত্ৰণ কৰে ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব ক্ষমতাই। ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব ক্ষমতাক সকলোৱে মানি চলিব লাগে। ৰাষ্ট্ৰৰ এই ক্ষমতা বা শক্তিক ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণকাৰী শক্তি সৈনিক বা পুলিচেও মানি চলিব লাগে। শক্তিয়ে ৰাষ্ট্ৰৰ সহযোগিতা, ন্যায় আৰু ন্যায় আচৰণ আদি উপাদান বৃদ্ধিত কিছু বাধা দিয়ে যদিও অধিকাৰে ইয়াক ৰক্ষা কৰে। সেয়ে শক্তিৰ লগত আন কিছুমান অধিকাৰো থাকিব লাগে বুলি আদৰ্শবাদী সকলে উল্লেখ কৰি কৈছে যে ইয়ে ৰাষ্ট্ৰৰ স্থায়িত্ব গঢ় দিয়াত সহায় কৰে। অৱশ্যে এনে শক্তিৰ লগত সম্পৰ্ক থকা আন কিছুমান ভাল মানবীয় গুণো আছে, যেনে স্বদেশ-প্ৰেম। সেয়ে কৈছোঁ শক্তিশালী মানুহৰ অধিকাৰক সকলো মানুহৰ অধিকাৰ নহয় বুলি উল্লেখ কৰিছে কিয়নো তেনে লোকৰ শক্তি শাৰীৰিক ক্ষমতাও হ'ব পাৰে আৰু শাৰীৰিক ক্ষমতাৰ জৰিয়তে তেনেলোকে কিছুমান অধিকাৰ আদায় কৰি লব পাৰে।

সাধাৰণভাৱে সকলো ব্যক্তিয়েই ৰাষ্ট্ৰক মানি চলিব লাগে। কিন্তু সমালোচনা কৰিব পৰা অধিকাৰো থাকিব লাগে। কিয়নো ব্যক্তি নিজেই সাৰ্বভৌমত্ব ক্ষমতাৰ অধিকাৰী। ব্যক্তিৰ মংগল আৰু উৎকৰ্ষ সাধনত ৰাষ্ট্ৰই সহায় কৰিব লাগিব কিন্তু যেতিয়া ব্যক্তিৰ বিকাশত হস্তক্ষেপ বা অনুৰূপ বাধা হয় তেতিয়া ৰাষ্ট্ৰৰ বিৰুদ্ধে মতামত প্ৰকাশ বা বিদ্ৰোহ কৰাৰ অধিকাৰ আছে। এনে সময়ত ৰাষ্ট্ৰৰ বিৰুদ্ধাচৰণ কৰাটো ব্যক্তিৰ কৰ্তব্য। সেয়ে আদৰ্শবাদী সকলে দুটা পৰিস্থিতিত ব্যক্তিয়ে ৰাষ্ট্ৰৰ বিৰুদ্ধাচৰণ কৰিব পাৰে বুলি মত প্ৰকাশ কৰিছে। প্ৰথমে, যেতিয়া ৰাষ্ট্ৰই এজন ব্যক্তিগত ব্যক্তি হিচাপে কাম কৰে আৰু দ্বিতীয়তে, যেতিয়া ৰাষ্ট্ৰই জনসাধাৰণৰ প্ৰকৃত ইচ্ছা প্ৰকাশত অসমৰ্থ হয়। ইংলণ্ডৰ "গৌৰৱময় বিপ্লৱ" আৰু ফৰাচী বিপ্লৱ এই ক্ষেত্ৰত প্ৰথম বিধ পৰিস্থিতিৰ এটা ভাল উদাহৰণ। এই বিপ্লৱবোৰে ৰাষ্ট্ৰই পালন কৰিবলগীয়া প্ৰকৃত অধিকাৰ সমূহ আনি পূৰ্বৰ চিন্তাধাৰাৰ সংঘৰ্ষ ঘটাইছিল। সেয়ে আদৰ্শবাদী সকলে বিপ্লৱক প্ৰয়োজনীয় ন্যায় সংগত উপায় বুলি মত প্ৰকাশ কৰে। সেয়ে ৰাষ্ট্ৰই জনসাধাৰণৰ স্বাৰ্থৰ বিৰুদ্ধে যাব নালাগে।

ৰাষ্ট্ৰৰ কৰ্তৃপক্ষই সৰ্বসাধাৰণৰ বিবেক, চেতনাৰ সাধাৰণ লক্ষ্য সমূহ বিচাৰি পায় আৰু তেনে


লক্ষ্যত উপনীত হ'বলৈ জনসাধাৰণৰ আহ্বায়ক হব লাগে। সেয়ে ৰাষ্ট্ৰক মানি চলিব লাগে; ইয়াৰ যুক্তি সংগত কাৰণ এয়ে যে ৰাষ্ট্ৰৰ অধিকাৰ, নিয়ম সমূহ মানুহৰ মংগলৰ উদ্দেশ্যমুখী আৰু এইবোৰে মানুহৰ প্ৰকৃত আৰু যুক্তি সংগত স্থিতি বৃদ্ধি পোৱাত সহায় কৰে। তেনে ৰাষ্ট্ৰক মানি চলাৰ অৰ্থ হ'ল সত্য, মহত্ব আৰু নিজৰ যুক্তিক মানি চলা। তেনে ৰাষ্ট্ৰৰ আইনৰ ওচৰত সমৰ্পণ কৰাটোৱে শাস্তিৰ ভয় বা কিছুমান প্ৰথাৰ অন্ধ অনুকৰণ নহয়। সাধাৰণ লক্ষ্যৰ ওপৰত ভিত্তি কৰিয়েই ইয়াক মানি চলা হয়।



জবাহর জ্যোতি



# THE UNION EXECUTIVE (1977-78)



SITTING--(L. to R.) M. K. Sarma (Prof. in-charge Jawahar Jyoti), L. K. Sarma (Prof. in-charge Boys Common Room), B. K. Dutta (Vice President), Principal J. C. Nath (President), M. C. Kakati (Prof. in-charge Game & Sports), M. Rahman (Prof. in-charge Debating), M. Sarkar (Secy. Girls Common Room), G. K. Kalita (General Secretary)

STANDING--(L. to R.) S. Das (Choukidar), M. Das (Choukidar), M. K. Das [Secy. Debating), L. Sarkar (Secy. Boys' Common Room), D. K. Choudhury (Secy. Jawahar Jyoti), C. M. Kalita (Secy. Music & Culture), A. C. Bora (Secy Social Service), U. C. Kalita (Secy. Games & Sports), R. C. Medhi (O/A)

# বছৰৰ শ্ৰেষ্ঠ সকল ঃ



মিচ্ চেলিমা খাতুন
বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ
১৯৭৭-৭৮



শ্ৰীধীৰেণ কলিতা
বছৰৰ শ্ৰেষ্ঠ গায়ক
১৯৭৭-৭৮



শ্ৰীসত্যেন্দ্ৰ নাথ বড়া
বছৰৰ শ্ৰেষ্ঠ অভিনেতা
১৯৭৭-৭৮

# সম্পাদকীয়

**যুৱ ছাত্ৰ শক্তি ঃ—**

যুৱ ছাত্ৰ শক্তি এক মহান শক্তি। ইয়াৰ জৰিয়তে আমি বাসকৰা সমাজ তথা দেশৰ উন্নতি সাধিব পাৰোঁ। এনে শক্তি মংগলময় কামতহে ব্যৱহাৰ কৰিব লাগে। যেই সেই কামত এই, শক্তি প্ৰয়োগ কৰি ইয়াক অপচয় কৰা অবাঞ্ছনীয়। এই যুৱ ছাত্ৰসকল হৈছে ভৱিষ্যত দেশৰ কৰ্ণধাৰ। যুৱ ছাত্ৰসকলৰ জৰিয়তে আশাৰ ভূ-স্বৰ্গ ৰচনা কৰিবৰ বাবে শ-শ জনতাই অপেক্ষা কৰি আছে। সেয়ে আমি প্ৰথমতে সৎশিক্ষা আহৰণ কৰি নিজকে একো একোজন সুনাগৰিক কৰি গঢ়ি তুলিব লাগিব। শোষক তথা দুৰ্নীতি পৰায়ণ সকলক প্ৰশ্ৰয় নিদি নতুন সমাজ পাতি শান্তিৰে বসবাস কৰাৰ সুস্থ সবল বাতাবৰণৰ সৃষ্টি আমিয়েই কৰিব লাগিব। এই ক্ষেত্ৰত যাতে কোনো দলীয় ৰাজনীতিৰ তীব্ৰ গোন্ধে আকৰ্ষিত নকৰি আমাক বিপথে পৰিচালিত কৰিব নোৱাৰে তাৰ বাবে প্ৰত্যেকজন যুৱ ছাত্ৰই বিশেষ লক্ষ্য ৰাখিব লাগিব।

**শিক্ষা ব্যৱস্থা ঃ—**

ছাত্ৰ সমাজক সুস্থ, সবল নাগৰিক কৰি গঢ়ি তুলিবৰ বাবে শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তন কৰাৰ সময় উপস্থিত হৈছে। আজিৰ যুগ বিজ্ঞানৰ যুগ; এই যুগত প্ৰত্যেক শিক্ষানুষ্ঠানতে বিজ্ঞান শিক্ষাৰ বাবে উপযুক্ত সা-সজুলিৰে হাতে কামে শিক্ষাদান দিয়াৰ এয়া উচিত সময়।

**নিবনুৱা সমস্যা :—**

বৰ্তমান ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ লগে লগে নিবনুৱা সমস্যাৰ এক তাণ্ডৱ লীলাই ভাৰতৰ জনসাধাৰণৰ আৰ্থিক উন্নতিৰ বাটত এক ডাঙৰ প্ৰাচীৰ হিচাপে থিয় দিছে। ইয়াৰ বাবে অকল শাসক গোষ্ঠীক দোষাৰোপ নকৰি সকলোৱে কঁকালত টঙালি বান্ধি এই সমস্যা সমাধানৰ বাবে সাজু হ'বৰ হ'ল। তাৰোপৰি শ্ৰমৰ মৰ্যদা অনুসৰি সকলোৱে লাজ কাতি কৰি থৈ নিজক কৰ্মমুখী কৰি তুলিবলৈ যত্নপৰ হলে আমাৰ সমস্যা কিছু পৰিমাণে হলেও সমাধান হব। তাৰোপৰি উৎপাদন ব্যৱস্থা, ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰি কৰ্মঠ নিবনুৱাক নিয়োগ কৰাৰ ব্যৱস্থা চৰকাৰে হাতত লব লাগে।

**নিৰক্ষৰতা দূৰীকৰণ :—**

আমাৰ দেশৰ জনসাধাৰণৰ শিক্ষিতৰ হাৰলৈ

চাই দেখিবলৈ পাওঁ যে আমাৰ দেশৰ শতকৰা ২৯.৪ জনহে স্বাক্ষৰ দান কৰিব পৰা ব্যক্তি আৰু বাকীবোৰ নিৰক্ষৰ। এনে ক্ষেত্ৰত এখন দেশে কেতিয়াও আগবাঢ়িব নোৱাৰে। বৰ্তমান কেন্দ্ৰীয় চৰকাৰে নিৰক্ষৰতা দূৰীকৰণৰ বাবে আঁচনি প্ৰস্তুত কৰি তাক কাৰ্যত পৰিণত কৰিবৰ বাবে অগ্ৰসৰ হৈছে। এই আঁচনি অনুসৰি গাঁৱে-ভূঞে নৈশ বিদ্যালয় স্থাপন কৰি স্বাক্ষৰ দানৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই আঁচনিৰ প্ৰতি সকলোৱে সহানুভূতি আগবঢ়ালে সফল হোৱাৰ আশা আছে।

### সাহিত্য আৰু কলা :—

সাহিত্য কালজয়ী। ইয়াৰ বিনাশ নাই। সাহিত্যৰ জৰিয়তে এটা জাতিৰ সুন্দৰ ছবি দাপোণত দেখাৰ দৰে অতি নিখুঁতভাৱে দেখিবলৈ পাওঁ। সাহিত্য বিহীন জাতি মৃতপ্ৰায়। সাহিত্য, সংস্কৃতি আৰু কলাৰ জৰিয়তে এটা জাতিৰ উন্নতি বিকাশ হোৱাটো সম্ভৱ। আজি বিজ্ঞানৰ অগ্ৰগতিৰ উপৰিও সাহিত্যৰো উন্নতি সাধিব লাগিব। সাহিত্য উচ্চমান বিশিষ্ট হবলৈ হলে গঠনমূলক সমালোচনাৰো আৱশ্যক। সাহিত্যৰ সোঁহাত স্বৰূপ আমাৰ কলা-সংস্কৃতিৰ বিকাশ সাধন কৰিব লাগিব চৰ্চাৰ জৰিয়তে।

### মহাবিদ্যালয়ৰ ভিতৰ চ'ৰা :—

এই পিচপৰা জনজাতীয় বকো অঞ্চলত বাইজৰ অক্লান্ত পৰিশ্ৰমৰ ফলত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ জন্ম হয়। বয়সৰ ফালৰ পৰা চাবলৈ গলে যদিও ই শিশুকালৰ দেওনা পাৰ হৈছে আৰু অসম চৰকাৰৰ পৰা ঘাটি মঞ্জুৰী পাইছে তথাপি ই অনেক সমস্যাৰ সন্মুখীন নোহোৱা নহয়।

বৰ্তমান মহাবিদ্যালয়ত যদিও কেইটিমান বিষয়ত শিক্ষাদান কৰা হৈছে, ভৱিষ্যতে আৰু নতুন কেইটিমান বিষয়ত শিক্ষা দিয়াৰ ব্যৱস্থা হব লাগে বুলি কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। আনন্দৰ বিষয় যে যোৱা ১৯৭৭ চনৰ পৰা অৰ্থনীতি আৰু অসমীয়া বিষয় দুটিত সন্মান শাখা খোলা হৈছে। এই সুযোগতে কৰ্তৃপক্ষৰ লগতে বিভাগীয় চৰকাৰলৈ কৃতজ্ঞতা ও ধন্যবাদ জ্ঞাপন কৰিলোঁ আৰু বাকী থকা বিষয় কেইটিতো সন্মানৰ শাখা খুলি এই পিচপৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যোৱাত সহায়-সহানুভূতি ও অনুপ্ৰেৰণা যোগাব। তাৰোপৰি অদূৰ ভৱিষ্যতত বিজ্ঞানৰ শাখা খোলাৰ ব্যৱস্থা লবলৈও কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

### জৱাহৰ জ্যোতি :—

এখন শিক্ষানুষ্ঠানৰ মুখপত্ৰই হৈছে ইয়াৰ বাহিৰ-ভিতৰৰ বাৰ্তাবাহক। সেয়ে সাহিত্য সাধন কৰিবৰ বাবে আমাৰ মহাবিদ্যালয়ত "জৱাহৰ জ্যোতি" নামেৰে এখন আলোচনী আছে। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়নৰ লগতে তেওঁলোকৰ সাহিত্য-প্ৰতিভা বিকাশ কৰিব পাৰে। কিন্তু আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লিখনি শক্তি তথা চৰ্চাৰ অভাৱ হেতু পূৰ্ণ এটি বছৰ পাৰ হোৱাৰ পাচতো ইয়াক প্ৰকাশ কৰিবলৈ অপৰাগ হবলগীয়া হয়। দুই তিনিবাৰ জাননী দিয়া সত্ত্বেও কাৰো পৰা লিখনি নাপালে মন

ভাগি পৰাটো স্বাভাৱিক। যি দুই তিনিটা শিতানৰ লিখনি পাওঁ সেইবোৰ প্ৰায়ে নকল, আৰু প্ৰকাশৰ উপযোগী নহয়। ভৱিষ্যতে চৰ্চা আৰু লিখাত অধিক মনোযোগ দি তেওঁলোকৰ লিখনি সমূহ আগবঢ়াই আলোচনীখন সজাই পৰাই প্ৰকাশ কৰি উলিওৱাত সম্পাদক গৰাকীক সুযোগ দিব বুলি আশা কৰিলোঁ।

নিজস্ব এষাৰ :—

যিসকল ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ দৃঢ় বিশ্বাস আৰু সহায়-সহযোগত মই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনীৰ সম্পাদক হোৱাৰ সুযোগকণ পালোঁ তেওঁলোকলৈ মোৰ আন্তৰিক মৰম ও শুভেচ্ছা যাচিলোঁ। লগতে যিসকল ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক মহোদয়ে তেওঁলোকৰ লিখনি সমূহ আগবঢ়াই আলোচনীখনি প্ৰকাশ কৰাৰ সুযোগ দিলে তেওঁলোকলৈও শ্ৰদ্ধা ও ওলগ যাচিলোঁ। বতৰৰ ফল বতৰত দিব নোৱাৰিলোঁ। আলোচনীখনৰ বাবে গল্প, প্ৰবন্ধ, কবিতা আদি সময়মতে নোপোৱাৰ বাবে আলোচনীখন প্ৰকাশ কৰি হাতত তুলি দিয়াত পলম হ'ল। তাৰবাবে ক্ষমা বিচাৰিছোঁ।

কৃতজ্ঞতা জ্ঞাপন :—

মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ কৰি উলিওৱাত বহুমূলীয়া উপদেশ, পৰামৰ্শ আদিৰে সহায় কৰাৰ বাবে শ্ৰদ্ধাভাজন অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথদেৱলৈ কৃতজ্ঞতা যাচিলোঁ। একাণপতীয়াকৈ লাগি প্ৰবন্ধপাতিবোৰ চকু ফুৰাই দিয়াৰ বাবে অধ্যাপক বসন্ত কুমাৰ দত্ত, অধ্যাপক দিলীপ কুমাৰ দাস আৰু অধ্যাপক খগেশ সেন ডেকাৰ ওচৰত মই চিৰ কৃতজ্ঞ। প্ৰবন্ধ-পাতিবোৰ ভালদৰে চকু ফুৰাই সকলো সময়তে দিহা পৰামৰ্শ দি "জৱাহৰ জ্যোতি" জলোৱাত উৎসাহ দিয়াৰ বাবে ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত মৃগেন্দ্ৰ কুমাৰ শৰ্মাদেৱৰ ওচৰত মই চিৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বিভিন্ন দিশত সহায়-সহানুভূতি আৰু প্ৰবন্ধ-পাতিৰ পাণ্ডুলিপি প্ৰস্তুত কৰি দিয়াৰ বাবে হংসধৰ দৈমাৰী, ভাৰত চৌধুৰী, ব্ৰজেন্দ্ৰ তালুকদাৰ, তাৰিণী বড়ো, নলিনী কলিতা, চামাদ আলী, পবিত্ৰ ঠাকুৰীয়া, ধ্ৰুৱজ্যোতি চৌধুৰী, মঞ্জুলা দাস, নিৰুপমা চৌধুৰী, নলিনী চৌধুৰী, খুচিদা আহমেদ, জাহানাৰা বেগম, ৰঞ্জুবাণী কলিতা, ইয়াচিফুন্ নেচা, সাবিত্ৰী কলিতা, নিভা হাজৰিকা, ৰুস্তবী পাটগিৰি আৰু চেলিমা বেগমলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা যাচিলোঁ।

সদৌ শেষত যিসকল অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীয়ে পৰোক্ষ আৰু প্ৰত্যক্ষভাৱে সহায় আগবঢ়ালে আৰু বকো শ্ৰীকৃষ্ণ প্ৰিণ্টিং প্ৰেছৰ কৰ্মীবৃন্দই অশেষ শ্ৰম আৰু কষ্টেৰে আলোচনীখন ছপা কৰি উলিয়ালে তেওঁলোকলৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

চিৰ চেনেহী ভাষা জননীৰ বেদী পোহৰ কৰক "জৱাহৰ জ্যোতিয়ে"। শেষত মহাবিদ্যালয়ৰ উত্তোৰত্তৰ শ্ৰীবৃদ্ধি আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

"জয়তু জৱাহৰ জ্যোতি"

ধন্যবাদেৰে—

ধীৰেন্দ্ৰ কুমাৰ চৌধুৰী,

সম্পাদক,

আলোচনী।

# —সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভণিতে এই মহাবিদ্যালয়ৰ অধ্যাপক, অধ্যাপিকা আৰু সকলো ন-পুৰণি ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। বকো জৱাহৰ লাল নেহৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ সুযোগকণ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতাও জ্ঞাপন কৰিছোঁ।

আমাৰ দু আষাৰঃ সমাজ হৈছে ব্যক্তিৰ সমষ্টি। সমাজ জীৱনৰ অভিজ্ঞতা আৰু জ্ঞানেই হ'ল মানৱ সভ্যতাৰ অগ্ৰগতিৰ মাপকাঠি। সমাজ কেতিয়াও মুষ্টিমেয় ব্যক্তিৰ ওপৰত নিৰ্ভৰশীল হব নোৱাৰে। সমাজে অগ্ৰগতি লাভ কৰে যৌথ প্ৰচেষ্টাত। মানুহৰ যৌথ প্ৰচেষ্টাই বিশ্বৰ ইতিহাসৰ ধাৰা পৰিবৰ্তন কৰাৰ উদাহৰণ অসংখ্য আছে। কিন্তু কিছুমান স্বাৰ্থপৰ ব্যক্তিয়ে সমাজৰ অগ্ৰগতিৰ প্ৰধান প্ৰবক্তা হিচাপে নিজক প্ৰতিষ্ঠিত কৰিবলৈ যত্ন কৰে। কিন্তু সেই প্ৰচেষ্টা ক্ষণস্থায়ী। সেয়েহে ব্যক্তি স্বতন্ত্ৰতাৰ ওপৰত আস্থা নাৰাখি মহাবিদ্যালয়ৰ ছাত্ৰ আৰু শিক্ষকসকলৰ পৰস্পৰৰ ভাব আৰু চিন্তাৰ সমন্বয় ৰক্ষা কৰি আমাৰ এই পিচপৰা অঞ্চলৰ মহাবিদ্যালয় খনৰ সৰ্বাঙ্গীন উন্নতিৰ চেষ্টা কৰা আমাৰ লক্ষ্য হোৱা উচিত।

আমি ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাক পাঠ্য পুথিৰ মাজত আৱদ্ধ ৰাখি একমাত্ৰ জীৱিকাৰ বাহন হিচাপে ব্যৱহাৰ কৰা অনুচিত। আমি পূৰ্ণাঙ্গ জ্ঞান লাভ কৰিব পাৰোঁ। সমাজৰ সমস্যাৰ সম্যক উপলব্ধিৰ মাধ্যমত। আজি আমাৰ সমাজখন অৰ্থনৈতিক সমস্যাৰে জৰ্জৰিত। এই অৰ্থনৈতিক সংকটৰ লগত বৰ্তমান শিক্ষা ব্যৱস্থা ৰোগগ্ৰস্ত। সেয়েহে ছাত্ৰ-ছাত্ৰী সকলক সবিনয়ে নিবেদন কৰোঁ। যাতে তেওঁলোকে নিজৰ অধ্যয়নৰ লগে লগে সমাজৰ মৌলিক সমস্যাৰ প্ৰতি সজাগ দৃষ্টি ৰাখি তাৰ বৈজ্ঞানিক সমাধানৰ পথত আগবাঢ়ি আহে। ছাত্ৰ হ'ল সমাজৰ সৰ্বশ্ৰেষ্ঠ প্ৰগতিশীল অংশ। গতিকে আমাৰ সমাজৰ নিৰক্ষৰ আৰু শোষিত মানুহখিনিৰ পথ প্ৰদৰ্শকৰ ভূমিকা লোৱা ছাত্ৰসকলৰ এটি ঐতিহাসিক কৰ্তব্য। এনে অৱস্থাত সমাজৰ মৌলিক আৰু জ্বলন্ত সমস্যাৰ পৰা পলায়ন কৰাটো আমাৰ হব আত্মাহনন আৰু আত্মপ্ৰৱঞ্চনা।

উৎসৱ সমাৰোহঃ গতানুগতিকতাৰ দৰে মোৰ কাৰ্যকাল ছোৱাও আৰম্ভ হৈছিল 'বছৰেকীয়া কলেজ সপ্তাহেৰে'। এই কলেজ সপ্তাহ ২।১।৭৮ ইং তাৰিখৰ পৰা ৫।১।৭৮ ইং তাৰিখলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে বৰ উলহ-মালহেৰে উদযাপন কৰা হৈছিল। কলেজ সপ্তাহৰ পতাকা উত্তোলন কৰিছিল মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱে। ইয়াৰ পিচতে কলেজ সপ্তাহৰ বিভিন্ন কাৰ্যসূচী আৰম্ভ হয়। সন্ধিয়া ৬-৩০ বজাত সাংস্কৃতিক প্ৰতিযোগিতাখনি উদ্বোধন কৰে প্ৰাক্তন

সচিব শ্ৰীযুত অচ্যুত কান্ত অধিকাৰীদেৱে। এই খিনিতে তেখেতলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। কলেজ সপ্তাহৰ বিভিন্ন কাৰ্য্যক্ৰমত মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱীসকলে উপস্থিত থাকি অনুষ্ঠান সমূহ সুকলমে চলাই নিয়াত সহায় কৰে। মুকলি অধিবেশনত মুখ্য অতিথি হিচাপে যোগদান কৰে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত গজেন্দ্ৰ নাথ ঠাকুৰীয়াই। এইখিনিতে তেখেতলৈকেও আমাৰ শলাগৰ শৰাই আগবঢ়ালোঁ। আনবাৰৰ দৰে এইবাৰো সৰস্বতী পূজা, স্বাধীনতা দিৱস আদি পালন কৰা হয়।

আমাৰ মহাবিদ্যালয়ৰ অভাৱ অভিযোগ ঃ— ১৯৬৪ চনতে স্থাপিত হোৱা বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে শৈশৱকাল অতিক্ৰম কৰি যৌৱনৰ দুৱাৰ দলিত প্ৰবেশ কৰিছে। তথাপি এশ-এবুৰি সমস্যাৰে নিমগ্ন থকাত এই মহাবিদ্যালয়খনে যৌৱনৰ উচ্ছ্বাস ভোগ কৰিবলৈ সুবিধা পোৱা নাই। মাত্ৰ কেইটিমান সীমিত বিষয়ৰে মহা-বিদ্যালয়ৰ পাঠদান চলি আছে। আজিৰ যুগ বিজ্ঞানৰ যুগ। প্ৰযুক্তি বিদ্যাৰ যুগ। এনে অৱস্থাত আমাৰ পিছপৰা অঞ্চলটো বিজ্ঞানৰ সুফলৰ পৰা বঞ্চিত কৰি ৰখাটো পৰিতাপৰ কথা। সেয়েহে আমাৰ মহাবিদ্যালয়ত বিজ্ঞান শাখাৰ অত্যন্ত দৰকাৰ। লগতে গণিত, ভূগোল, তৰ্ক, বাণিজ্য, নৃতত্ত্ব, শিক্ষা আদি বিষয়ৰ বিভাগ খোলা অতি প্ৰয়োজন। মহাবিদ্যালয়ৰ নিজা এটি প্ৰেক্ষাগৃহ আৰু ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠাৰ দৰকাৰ। কিন্তু এইবিলাক দাবী পূৰণ কৰাত কৰ্তৃপক্ষৰ ধনৰ অভাৱটো আমি বুজো। সেইবুলি হাত সাবটি বহি থাকিলেই কোনো লক্ষ্য সাধন কৰিব নোৱাৰি। গতিকে কলেজ কৰ্তৃপক্ষই এই দাবীবিলাক পূৰণ কৰাৰ কাৰণে আমাৰ চৰকাৰৰ লগত সক্ৰিয় যোগাযোগ ৰক্ষা কৰাৰ নিতান্ত আৱশ্যক। ভৱিষ্যত কৰ্তৃপক্ষই যাতে এই অভাৱবোৰ পূৰণ কৰাত সক্ৰিয় ভূমিকা গ্ৰহণ কৰে তাৰ প্ৰতি আশা ৰাখিলোঁ।

শ্ৰদ্ধাঞ্জলি জ্ঞাপন :- ১৯৭৭-৭৮ চনতো ভাৰত তথা অসমৰ বাবে আছিল অতি দুৰ্ভাগ্যজনক। কিয়নো এই কালছোৱাতে বহুতো আগশাৰীৰ শিল্পী, সাহিত্যিক তথা বিদগ্ধ পণ্ডিতৰ আকস্মিক বিয়োগে জনসাধাৰণৰ মনত এক শোকৰ ছাঁ পেলাই গৈছে। তেওঁলোক যথাক্ৰমে সাহিত্যিক আইতা শ্ৰীযুতা নলিনী বালা দেৱী, চিৰকুমাৰ ককা নীলমনি ফুকন, সুৰকাৰ জয়ন্ত হাজৰিকা, সাহিত্যিক তথা আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত গিৰিধৰ শৰ্ম্মা, আৰু লগতে সোঁৱৰিছো জ্ঞাত, অজ্ঞাত বিশ্বৰ অসংখ্য মেহনতী জনতাৰ অকাল মৃত্যুক।

কৃতজ্ঞতা জ্ঞাপন ঃ— মোৰ কাৰ্য্যকাল ছোৱাত বিভিন্ন কাম-কাজত দিহা পৰামৰ্শ দিয়াৰ বাবে মই আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সভাপতি অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱলৈ আৰু উপাধ্যক্ষ শ্ৰীযুত বসন্ত দত্তলৈ আন্তৰিক শলাগৰ শৰাই আগবঢ়ালোঁ। তেওঁলোকৰ সৎ উপদেশ আৰু আৰু পৰামৰ্শৰ সহায়ত মই যি কাম সুচাৰুৰূপে চলাবলৈ সমৰ্থ হৈছিলোঁ তাৰবাবে তেওঁলোকলৈ এই প্ৰতিবেদনৰ জৰিয়তে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

তদুপৰি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকললৈ আৰু যিসকল ছাত্ৰ-ছাত্ৰীয়ে আমাৰ কাৰ্যকাল হোৱা সুকলমে চলাই নিয়াত সহায় কৰিলে তেওঁলোকলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা নিবেদিলোঁ। সদৌ শেষত আমাৰ ছাত্ৰ-একতা সভাৰ সদস্য সকললৈ কৃতজ্ঞতা জনোৱাৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ হিয়াভৰা অভিনন্দন জনাই বছৰেকীয়া প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়
জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়।
ছাত্ৰ একতা সভা।

ধন্যবাদেৰে—
শ্ৰীগিৰীশ কুমাৰ কলিতা,
সাধাৰণ সম্পাদক।

## সাংস্কৃতিক বিভাগৰ প্ৰতিবেদন—

আৰম্ভণিতে যি সকল ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীয়ে মোক এই মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সম্পাদকৰ পদত অধিষ্ঠিত কৰি সেৱা আগবঢ়ালৈ সুযোগকণ দিছে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সকলোৰে জানে যে—"সংসাৰ মৰুভূমিত গান সৰোবৰ।" সঙ্গীত ভাল নোপোৱা মানুহ পৃথিৱীত নাই। জীৱ-জন্তু সকলোৰে সঙ্গীতৰ মূৰ্চ্ছনাত তন্ময় হয়। সঙ্গীত জাতি একোটাৰ ইতিহাস স্বৰূপ। ইয়াত মানৱে বিচাৰি পায় চেনেহ, ভক্তি, বহুত আশা, অনেক তৃপ্তি, কল্পনা আৰু বহুতো।

বিগত কেইবছৰৰ দৰে এই বাৰো আমাৰ কলেজত চাৰিদিনীয়া কাৰ্যসূচীৰে 'বছৰেকীয়া কলেজ সপ্তাহ' পালন কৰা হয়। ইয়াত বিভিন্ন গীত-মাত, আবৃত্তি, কৌতুক অভিনয়ৰ লগতে একাঙ্কীকা নাট প্ৰতিযোগিতা পতা হয়। প্ৰতিযোগীৰ সংখ্যা কিছু কম হলেও সাংস্কৃতিক অনুষ্ঠান কেইখন নিম্ন মানবিশিষ্ট হোৱা নাছিল। প্ৰথমবাৰৰ কাৰণে এইবাৰ আমাৰ কলেজত সাংস্কৃতিক বিভাগৰ জৰিয়তে এখনি চিত্ৰাঙ্কণ প্ৰতিযোগিতা পতা হৈছিল। কিন্তু বৰ পৰিতাপৰ কথা যে ইয়াত কোনো প্ৰতিযোগীয়েই আগবাঢ়ি নাহিল।

মহাবিদ্যালয়ৰ বাৰ্ষিক 'কলেজ সপ্তাহ'ৰ সাংস্কৃতিক অনুষ্ঠান পতা হয় বকো বা-ৰাতৰি কেন্দ্ৰত। প্ৰথম নিশাৰ সাংস্কৃতিক অনুষ্ঠান মুকলি কৰে বকো হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক শ্ৰীযুত অচ্যুত কান্ত অধিকাৰীদেৱে। তেখেতলৈ আমাৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সামৰণি সাংস্কৃতিক অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ বাহিৰেও কেইজনমান স্থানীয় শিল্পীয়ে গীত পৰিবেশন কৰি সাংস্কৃতিক অনুষ্ঠানটি আকৰ্ষণীয় কৰি তোলে। এই স্থানীয় শিল্পীসকললৈও কৃতজ্ঞতা জনালোঁ

এইবেলি গুৱাহাটী আকাশবাণী কেন্দ্ৰৰ 'যুৱবাণী' অনুষ্ঠানত প্ৰচাৰ কৰিবলৈ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিবেশিত বিভিন্ন ধৰণৰ কেইটিমান নিৰ্বাচিত গীত-মাত বাণীবদ্ধ কৰা হয়। সেয়ে গুৱাহাটী আকাশবাণী কেন্দ্ৰৰ কৰ্মীসকলে আৰু গীত-মাতত অংশ গ্ৰহণ কৰি কলেজৰ

গৌৰৱ বঢ়োৱা ছাত্ৰ-ছাত্ৰীসকললৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

যোৱা বছৰৰ দৰে এইবাৰো আমাৰ মহাবিদ্যালয়ত "শিল্পী দিৱস" উপলক্ষে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাবলৈ যৎপৰোনাস্তি চেষ্টা কৰা হৈছিল। কিন্তু বিশেষ অসুবিধাৰ কাৰণে "শিল্পী দিৱস" পাতিব পৰা নগ'ল। ইয়াৰ কাৰণে সঁচাকৈয়ে আমি দুখিঃত। এইখিনিতে ভৱিষ্যতৰ সাংস্কৃতিক সম্পাদক সকললৈ অনুৰোধ জনাওঁ যেন তেওঁলোকে এই পবিত্ৰ শিল্পী দিৱসটো গুৰুত্বসহ উদ্‌যাপন কৰিবলৈ লয়।

উল্লেখ নকৰি নোৱাৰি যে বহুতো অভাৱ অভিযোগ আমাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটোত অগ্ৰগতি লাভ কৰিব পৰা নাই। সংগীতৰ বিকাশৰ কাৰণে যিখিনি বাদ্যযন্ত্ৰৰ আৱশ্যক সেইখিনি আমাৰ মহাবিদ্যালয়ত নাই বুলিলেই হয়। অন্ততঃ আৰু কেইবিধমান নতুন বাদ্যযন্ত্ৰ হ'লে সংগীতৰ দিশত বহুখিনি উন্নতি হোৱাৰ আশা আছে। গতি কেইবিধমান বাদ্যযন্ত্ৰৰ অভাৱ পূৰণ কৰিবলৈ আমাৰ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ জনালোঁ। আমাৰ মহাবিদ্যালয়ৰ সংগীতানুৰাগী ছাত্ৰ-ছাত্ৰীসকলে সঙ্গীত তথা নাটক অনুশীলন কৰাৰ কাৰণে যথেষ্ট অসুবিধা ভোগ কৰিব লাগে। শ্ৰেণী চলি থাকিলে সাংস্কৃতিক দিশটো স্থগিত ৰাখিব লগা হয়। গতিকে জিৰণি কোঠাতেই সংগীত আদি চৰ্চা কৰিব পৰাকৈ এটি সুকীয়া কোঠাৰ ব্যৱস্থা কৰ্তৃপক্ষই অনতিপলমে কৰে যেন। এইবেলি কলেজ সপ্তাহৰ সাংস্কৃতিক অনুষ্ঠানত অস্থায়ী মঞ্চৰ ব্যৱস্থা কৰাত সঁচাকৈয়ে খুব কষ্ট আৰু অসুবিধা ভোগ কৰিব লগা হৈছিল। গতিকে আমাৰ কলেজত স্থায়ীয়েই হওক বা অস্থায়ীয়েই হওক এটি প্ৰেক্ষাগৃহৰ আৱশ্যক বুলি ভাবো।

বিভাগীয় কাম কাজ সুকলমে চলোৱাত দিহা পৰামৰ্শ দি মোক উৎসাহিত কৰাৰ কাৰণে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ নাথ দেৱ আৰু সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত শৰৎ চন্দ্ৰ তালুকদাৰদেৱৰ ওচৰত মই চিৰকৃতজ্ঞ। লগতে যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোৰ বিভাগীয় কাম-কাজ চলোৱাত মোলৈ বিশেষ ভাৱে সহায়-সহযোগিতা আৰু উৎসাহ আগবঢ়াইছিল তেওঁলোকলৈও মোৰ আন্তৰিক শ্ৰদ্ধা আগবঢ়াইছোঁ।

সদৌ শেষত মোৰ জ্ঞাত আৰু অজ্ঞাত ভুল-ক্ৰুটিৰ বাবে ক্ষমা বিচাৰি সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শুভেচ্ছা জনালোঁ। এই সংগীত অনুষ্ঠানটিৰ উন্নতি কামনা কৰি আৰু 'জৱাহৰ জ্যোতি'ৰ দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে—

শ্ৰীচিত্তমোহন কলিতা।

সম্পাদক,

সাংস্কৃতিক বিভাগ।

★ ★ ★

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক সমাজ সেৱা বিভাগৰ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰাত সহযোগিতা আগবঢ়াইছিল তেওঁলোকলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যকাল চোৱাত মই মোৰ যোগ্যতা প্ৰতিপন্ন কৰিব পাৰিছোঁ নে নাই সেইটো তেওঁলোকৰ বিচাৰ্য।

সমাজ সেৱা যে শিক্ষাৰ এটি অপৰিহাৰ্য অঙ্গ সেইটো কোৱা নিষ্প্ৰয়োজন। সমাজ সেৱাৰ লগতে মানৱ জীৱনৰ কৰ্ম অভিজ্ঞতা অতি নিবিড় ভাৱে জড়িত। এই কথাৰ গুৰুত্ব উপলব্ধি কৰিয়েই বৰ্তমান চৰকাৰে তথা শিক্ষা বিভাগে ছাত্ৰ-ছাত্ৰী সকলে যাতে সমাজ সেৱাৰ লগতে গ্ৰাম্য উন্নয়ণ মূলক বিভিন্ন ধৰণৰ কৰ্ম অভিজ্ঞতা লাভ কৰিব পাৰে তাৰ বাবে 'জাতীয় সেৱা আঁচনি' (National Service Scheme) নামেৰে এটি বিভাগ খুলিছে। এই আঁচনিৰ উদ্দেশ্য হ'ল ছাত্ৰ-ছাত্ৰীসকলে গাওঁৰ ভিতৰুৱা অঞ্চললৈ গৈ গাওঁৰ নিৰক্ষৰ মানুহক লগ ধৰি তেওঁলোকক বিভিন্ন ধৰণৰ শিক্ষাদান দিয়াৰ উপৰিও হাতে কামে লাগি সহায় সহযোগিতা পৰামৰ্শ আদি আগবঢ়োৱা।

এইবেলি গুৱাহাটী বিশ্ববিদ্যালয়ে এপ্ৰিলৰ ৭ (সাত) তাৰিখৰ পৰা ১১ (এঘাৰ) তাৰিখলৈকে পাঁচদিনীয়া N. S. S.ৰ এটি প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰিছিল। সেই শিবিৰত অসমৰ বহুতো মহাবিদ্যালয়ৰ লগতে আমাৰ মহাবিদ্যালয়েও যোগদান কৰিছিল।

আমাৰ মহাবিদ্যালয়তো ১২ অক্টোবৰৰ পৰা ২০ অক্টোবৰলৈ জাতীয় সেৱা শিবিৰ পতা হৈছিল। এই শিবিৰত বহুতো ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে অংশ গ্ৰহণ কৰে। এইখিনিতে উল্লেখ কৰাটো অপ্ৰাসংগিক নহ'ব যে শিবিৰত অংশ গ্ৰহণ কৰা বন্ধুসকলে (১) বকো ছোৱালী হাইস্কুলৰ চৌহদ (২) চকাৰ হা গাওঁ (৩) পাখাৰা পাৰা গাওঁ (৪) আমাৰ মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰৰ ৰাস্তা আৰু (৫) মহাবিদ্যালয়ৰ Horticulture Farm আদিৰ কাম প্ৰশংসনীয় ধৰণে কৰিবলৈ সক্ষম হয়। এই শিবিৰত যিসকল ছাত্ৰ-ছাত্ৰীয়ে বিশেষ পাৰদৰ্শিতা দেখুৱাইছিল তেওঁলোকক পুৰস্কৃত কৰাও হয়।

উপৰোক্ত শিবিৰ পাতি সমাজ-সেৱা আগবঢ়োৱাৰ উপৰিও আমাৰ মহাবিদ্যালয়ৰ চৌহদতো সময়ে সময়ে সামূহিক কামৰো আয়োজন কৰা হয়। উদাহৰণ স্বৰূপে মহাবিদ্যালয়ৰ সন্মুখত থকা কল,

আনাৰস, নেমু আদিৰ গছেৰে পৰিপূৰ্ণ বাগিচাখনত আৰু মহাবিদ্যালয়ৰ খেল-পথাৰখনত কেবাবাৰো কাম কৰা হয়।

আমাৰ মহাবিদ্যালয়ৰ বছৰেকীয়া কলেজ সপ্তাহ উপলক্ষে অনুষ্ঠিত হোৱা সমাজ-সেৱা প্ৰতিযোগিতাত মুঠ ১০ জন ছাত্ৰ-ছাত্ৰীক পুৰস্কৃত কৰা হয়। তাৰোপৰি আন ১০ জন ছাত্ৰ-ছাত্ৰীক যোগ্যতা-পত্ৰও প্ৰদান কৰা হয়।

সৰ্বশেষত মোৰ কামৰ বিভিন্ন দিশত সহায়-সহযোগ আগবঢ়োৱাৰ বাবে মাননীয় অধ্যক্ষ মহোদয় আৰু ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত দিলীপ কুমাৰ দাস আৰু জাতীয় সেৱা আঁচনিৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত মদন চন্দ্ৰ কাকতি দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ। লগতে বন্ধু শ্ৰীভবেন চন্দ্ৰ ঠাকুৰীয়া আৰু শ্ৰীৰামধন বড়োই মোৰ কামত নানা প্ৰকাৰে সহায় কৰা বাবে তেখেতসকলৰ শলাগ নলৈ নোৱাৰিলোঁ।

সদৌশেষত মোৰ জ্ঞাত বা অজ্ঞাত দোষ-ত্ৰুটিৰ বাবে ক্ষমা খুজি মোৰ প্ৰতিবেদনৰ মোখনী মাৰিলোঁ।

ধন্যবাদেৰে—
শ্ৰীঅৰ্জুন চন্দ্ৰ বড়ো।
সম্পাদক,
সমাজ সেৱা বিভাগ।

★★★

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন—

জয় জয়তে ৰকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মোক ১৯৭৭-'৭৮ চনৰ ছাত্ৰৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ সুযোগকণ দিয়াত মই তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। আনহাতে যিসকল বন্ধু-বান্ধৱীৰ সহায়-সহানুভূতি আৰু উৎসাহ-উদ্দীপনা পাই বিভাগীয় কাম-কাজ সুকলমে পৰিচালনা কৰিবলৈ সক্ষম হৈছোঁ তেওঁলোকলৈও মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

কৰ্মবহুল পৃথিৱীত কাম-কাজ কৰি মেতিয়া মানুহে ভাগৰি পৰে তেতিয়া প্ৰয়োজন হয় জিৰণি লোৱাৰ। ক্ষন্তেকীয়া জিৰণিৰ মাজেদি পৰিশ্ৰান্ত দেহত আকৌ জাগি উঠে নতুন প্ৰেৰণা। সেয়ে আমাৰ কলেজৰ ছাত্ৰসকলে Class কৰাৰ পিচত